**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-04-2026 **Time :** 1340 Hrs.

# *Assamese Midday Bulletin*
## *HEADLINES*

১। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজি সংবিধানৰ ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬ আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ সংসদত উত্থাপন কৰে।

২। লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ অধীনত কেইবাখনো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ঘৰৰ তালিকা প্ৰস্তুতৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অষ্ট্ৰিয়াৰ চেঞ্চেলৰ ড০ খ্ৰিষ্টিয়ান ষ্টকাৰৰ সৈতে মত-বিনিময় কৰে।

৪। অন্ধ্ৰপ্ৰদেশৰ কুৰ্নুল জিলাত আজি পুৱাৰ ভাগত হোৱা এটা পথ দুৰ্ঘটনাত ৮ জন লোক নিহত হোৱাৰ লগতে কেইবাগৰাকীও লোক আহত হয়।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজি সংবিধানৰ ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬, আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ সংসদত উত্থাপন কৰে। একেদৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৬ সদনৰ বিবেচনাৰ্থে উত্থাপন কৰে।

বিধেয়ককেইখন উত্থাপন কৰি আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজিৰ দিনটোক ঐতিহাসিক আখ্যা দিয়ে। তেওঁ কয় যে চৰকাৰে মহিলাসকলক ৰাজনৈতিক ন্যায় প্ৰদানৰ হকে কাম কৰি আছে। তেওঁ লগতে কয় যে সংবিধানৰ ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬ য়ে মহিলাৰ বাবে সমতা সুনিশ্চিত কৰিব। ড০ বি আৰ আম্বেদকাৰৰ উদ্ধৃতিৰে শ্ৰীমেঘৱালে কয় যে মহিলাৰ প্ৰগতিৰ মাজেৰে সমাজৰ প্ৰগতি পৰিস্ফুট হয়। মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষনৰ এয়াই উপযুক্ত সময় বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমেঘৱালে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে মহিলাৰ আৰ্থ সামাজিক উন্নয়নৰ বাবে ভালেমান আচনি প্ৰৱৰ্তন কৰিছে। তেওঁ এই সন্দৰ্ভত মুদ্ৰা যোজনা, লাখপতি বাইদেউ আৰু সুকন্য সমৃদ্ধি যোজনাৰ দৰে আচনিৰ উদাহৰণ দিয়ে।ইয়াৰ পূৰ্বে বিৰোধি পক্ষৰ সদস্যসকলে বিধেষক কেইখন উত্থাপনৰ বাবে ভোট বিভাজনৰ দাবী উত্থাপন কৰে। অধ্যক্ষ ওম বিৰলাই ২৫১ গৰাকী সদস্যই বিধেয়ক উত্থাপনৰ সপক্ষে আৰু ১৮৫ গৰাকীয়ে বিপক্ষে ভোটদান কৰা বুলি ঘোষণা কৰে।

ইয়াৰ আগেয়ে কংগ্ৰেছৰ সাংসদ কে চি বেণুগোৱালে বিধেয়ককেইখন উত্থাপনৰ বিৰোধিতা কৰি কয় যে ই দেশৰ যুক্তৰাষ্ট্ৰীয় গাঁথনি দুৰ্বল কৰি তুলিব। ইয়াৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে

শ্ৰীবেণুগোপালে বিধেয়ককেইখন প্ৰস্তুত কৰা সন্দৰ্ভত কাৰিকৰী আপত্তিহে উত্থাপন কৰিব পাৰে, বিধেয়ককেইখনৰ গুণ-দোষ সন্দৰ্ভত কোৱাৰ অধিকাৰ তেওঁৰ নাই।

সমাজবাদী পাৰ্টীৰ সাংসদ অখিলেশ যাদৱে খৰখেদাকৈ বিধেয়ককেইখন উত্থাপন কৰাৰ আৱশ্যকতাক লৈ প্ৰশ্ন তুলি কয় যে প্ৰথমতে লোকপিয়লৰ কাম সম্পূৰ্ণ কৰা উচিত। তৃণমূল কংগ্ৰেছৰ কাকলি ঘোষ দাস্তিদাৰে বিধেয়ককেইখন উত্থাপনৰ বিৰোধিতা কৰি কয় যে ইয়াৰ জৰিয়তে মহিলাৰ বাবে আসন সংৰক্ষণৰ বিষয়টো সমষ্টি পুনৰনিৰ্ধাৰণৰ ওপৰত নিৰ্ভৰশীল কৰিব বিচৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ইয়াৰ প্ৰত্যুত্তৰত কয় যে দেশত ইতিমধ্যে লোকপিয়ল প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু চৰকাৰে ইতিমধ্যে জাতিগত পিয়ল অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

ইয়াৰ পূৰ্বে লোকসভা মিলিত হোৱাৰ সময়ত সদনে ৯২ বছৰ বয়সত মুম্বাইত যোৱা ১২ এপ্ৰিলত মৃত্যুবৰণ কৰা কিম্বদন্তি পাৰ্শ্বগায়িকা আশা ভোশলেৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। গায়িকাগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি লোকসভা অধ্যক্ষ ওম বিৰলাই কয় যে সাত দশকৰো অধিক সময়জোৰা কৰ্মজীৱনত তেওঁ ভাৰতীয় চলচ্চিত্ৰ আৰু সংগীত জগতৰ প্ৰতি অমূল্য অৱদান আগবঢ়াই থৈ গৈছে। শ্ৰীবিৰলাই কয় যে আশা ভোশলেৰ কেইবাটাও ভাৰতীয় আৰু বিদেশী ভাষাৰ গীতত কণ্ঠদান কৰিছিল। সংগীত জগতলৈ আগবঢ়োৱা অভূতপূৰ্ব অৱদানৰ বাবে তেওঁক ২০০০ চনত দাদা চাহেব ফাল্কে আৰু ২০০৮ চনত পদ্মবিভূষণ সন্মানেৰে সন্মানিত কৰা হৈছিল বুলি অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে। সদনে লগতে অলপতে প্ৰাণ হেৰুওৱা আবু হাছিম খান চৌধৰী, ম'হছিনা কিডৱাই আৰু হৰি নাৰায়ণ ৰাজভাৰ প্ৰতিও শ্ৰদ্ধা নিবেদন কৰে। সদস্যসকলে তেওঁলোকৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি মৌনতাও অৱলম্বন কৰে।

০০০০০০০

দেশত লোকপিয়ল-২০২৭ৰ কাম চলি আছে। লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ অধীনত কেইবাখনো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত আজিৰে পৰা ঘৰৰ তালিকা প্ৰস্তুতৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, গোৱা, কৰ্ণাটক, লাক্ষাদ্বীপ, মিজোৰাম, ওড়িশা, ছিকিম আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ নতুন দিল্লী পৌৰনিগম আৰু দিল্লী ছাউনী পৰিষদৰ অধীনৰ ঠাইসমূহত  তালিকা প্ৰস্তুতৰ কাম চলি আছে। ১৫ মে'লৈ চলিবলগীয়া এই প্ৰক্ৰিয়াৰ সময়ত প্ৰশিক্ষিত গণনাকাৰীসকলে ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহ কৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এইবাৰৰ লোকপিয়লত প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা স্ব-গণনাৰ বিকল্পৰ প্ৰতি জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ দেখা গৈছে। এই বিকল্পৰ অধীনত প্ৰায় ১২ লাখ পৰিয়ালে অনলাইন ব্যৱস্থাৰে তথ্য দাখিল কৰিছে। স্ব-গণনা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা লোকসকলক স্বগণনাৰ পৰিচয়পত্ৰ সাজু ৰাখিবলৈ আৰু ক্ষেত্ৰ পৰিদৰ্শনৰ সময়ত গণনাকাৰীসকলক পৰিচয় পত্ৰ দেখুৱাবলৈ পৰামৰ্শ দিয়া হৈছে। এই বিকল্প বাছনি নকৰাসকলক ভৌতিক গণনা প্ৰক্ৰিয়াৰে সামৰি লোৱা হ'ব।

লোকপিয়লৰ সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখৰো অধিক গণনা কৰ্মী, পৰ্যবেক্ষক আৰু অন্য বিষয়া নিযোগ কৰা হৈছে। জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব। লোকপিয়লৰ দ্বিতীয় পৰ্যায় অহা বছৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত বয়স, লিংগ, বৃত্তি, সাক্ষৰতা আৰু জাতিগত সবিশেষকে ধৰি ব্যক্তিগত তথ্য আহৰণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে লোকপিয়ল-২০২৭ৰ বাবে ১১ হাজাৰ ৭১৮ কোটিৰো অধিক টকাত অনুমোদন দিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অষ্ট্ৰিয়াৰ চেঞ্চেলৰ ড০ খ্ৰিষ্টিয়ান ষ্টকাৰৰ সৈতে মত-বিনিময় কৰে। এই বৈঠকত দুয়োখন দেশে খাদ্য সুৰক্ষা সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তি, সহযোগিতা আৰু সামৰিক দিশত তথা সন্ত্ৰাসবিৰোধী যুটীয়া কাৰ্যগোট সন্দৰ্ভত অভিপ্ৰায় পত্ৰকে ধৰি কেইবাখনো চুক্তি বিনিময় কৰে। যুটীয়া সংবাদমেলত সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰত আৰু অষ্ট্ৰিয়া আন্তঃগাঁঠনি, উদ্ভাৱন আৰু স্বায়ত্বৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্য মিত্ৰ দেশ। ইউৰোপৰ বাহিৰে প্ৰথমবাৰ বিদেশ ভ্ৰমণ কৰিবলৈ শ্ৰীষ্টকাৰে ভাৰতক বাচি লোৱাৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ জৰিয়তে দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ প্ৰতি শ্ৰীষ্টকাৰৰ সংকল্প আৰু দৃষ্টিভংগী প্ৰতিফলিত হোৱা বুলি তেওঁ প্ৰকাশ কৰে। এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ বাণিজ্য আৰু বিনিয়োগ ত্বৰান্বিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। প্ৰতিৰক্ষা চেমিকণ্ডাক্টৰ কোৱাণ্টাম আৰু জৈৱ প্ৰযুক্তিৰ দৰে খণ্ডসমূহত দুয়োখন দেশে মিত্ৰতা শক্তিশালী কৰিব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। অষ্ট্ৰিয়াৰ চেঞ্চেলৰগৰাকীয়ে তেওঁৰ ভাৰত ভ্ৰমণে দুয়োখন দেশৰ মাজৰ মিত্ৰতা ত্বৰান্বিত কৰাত উল্লেখযোগ্য হিচাপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে শ্ৰীষ্টকাৰে পত্নীসহ ৰাজঘাটৰ মহাত্মা গান্ধীৰ সমাধিত পুষ্পাঞ্জলি তৰ্পণ কৰে।

০০০০০০০০০

অন্ধ্ৰপ্ৰদেশৰ কুৰ্নুল জিলাত আজি পুৱাৰ ভাগত হোৱা এটা পথ দুৰ্ঘটনাত ৮ জন লোক নিহত হোৱাৰ লগতে কেইবাগৰাকীও লোক আহত হয়। চিলাকালা ডোনাৰ সমীপত কৰ্ণাটকৰ তীৰ্থ যাত্ৰী কঢ়িয়াই অনা এখন টেম্পু আৰু এখন ট্ৰাকৰ মাজত মুখামুখী সংঘৰ্ষ হয়। উল্লেখযোগ্য যে তীৰ্থ যাত্ৰীসকল মন্ত্ৰালয়ম দৰ্শনৰ উদ্দেশ্যে ৰাওনা হৈছিল। এই দুৰ্ঘটনাত ৮ গৰাকী লোক থিতাতে নিহত হোৱাৰ লগতে আন ১০ গৰাকী আহত হৈছে। আহতসকল কুৰ্নুলৰ চৰকাৰী চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰপ্ৰদেশৰ কুৰ্নুল জিলাত হোৱা পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ বাবে শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া বাৰ্তাত তেওঁলোকে দুৰ্ঘটনাটোত আহতসকলৰ আশু-আৰোগ্য কামনা কৰিছে। শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাঁহাৰি পুঁজিৰ পৰা নিহতসকলৰ নিকতআত্মীয়লৈ ২ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰিছে। তদুপৰি আহতসকললৈ ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হ'ব।

অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এম চন্দ্ৰ বাবু নাইডুৱেও এই দুৰ্ঘটনা সন্দৰ্ভত আশ্বৰ্য্য প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ঘটনাৰ বুজ লোৱাৰ লগতে আহতসকলৰ বাবে উপযুক্ত চিকিৎসা সাহায্য সুনিশ্চিত কৰাৰ বাবে বিষয়াসকলক নিৰ্দেশ দিছে। শ্ৰীনাইডুৱে নিহতসকলৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছে।

০০০০০০০০০

ৰাজ্যভাৰ সভাপতি চি পি ৰাধাকৃষ্ণনে আজি উচ্চ সদনৰ নৱ-নিৰ্বাচিত সদস্যসকলক শপত বাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ কৰা সদস্যসকলৰ ভিতৰত বিজেপিৰ সঞ্জয় ভাটিয়া, নীতিন নবীন, তেৰাস গোৱালা, যোগেন মোহন, শিৰেশ কুমাৰ, বিনোদ শ্ৰীধৰ তাৱৰে, সুজিত কুমাৰ আৰু লক্ষ্মী ৱাৰ্মা অন্যতম। তদুপৰি জে দি ইউৰ ৰামনাথ ঠাকুৰ, ৰাষ্ট্ৰীয় লোক মৰ্চাৰ উপেন্দ্ৰ কুশ্বাহা, ইউ পি পি এলৰ প্ৰমোদ বড়ো তথা কংগ্ৰেছৰ ৰেম নৰেন্দ্ৰ ৰেড্ডী, অনুৰাগ শৰ্মা, কৰমবীৰ সিং বৌধ, ফুল' দেৱী নেতাম, অভিষেক মানু সিংৱীয়েও শপত লয়। সদনত মহছিনা কিদৱাই আৰু সদ্য প্ৰয়াত প্ৰখ্যাত গায়িকা আশা ভোষলেৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। তাৰ পাছত সদনৰ কাম-কাজ স্থগিত ৰখা হয়।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ্ পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে যোৱা নিশা বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্নৌ ছুপাৰ জায়েণ্টছক ৫ উইকেটত পৰাস্ত কৰে। খেলখনত লক্ষ্নৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰি আটাইকেইটা উইকেট হেৰুৱাই ১৪৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ মিচেল মাৰ্শ্বে সৰ্বাধিক ৪০ ৰান কৰে। বাংগালুৰুৰ ৰশ্বিক ছালাম ডৰে ৪টা আৰু ভূৱনেশ্বৰ কুমাৰে ৩টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৫ অভাৰ আৰু এটা বলতেই ৫ উইকেটৰ বিনিময়ত বিজয় লক্ষ্য অতিক্ৰম কৰে। অপেনাৰ বিৰাট কোহলিয়ে ৪৯ ৰানৰ বৰঙণি আগবঢ়ায়। লক্ষ্নৌৰ প্ৰিন্স যাদৱে ৩টা আৰু আৱেশ খানে ২টা উইকেট লাভ কৰে। বাংগালুৰুৰ জছ্ হেজেলউদক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

০০০০০০০

সমাপ্ত